# নতুন শিক্ষানীতি ২০২০ত 'স্কুল কমপ্লেক্স'ৰ প্ৰৱৰ্তন

**দেৱান ৰাম বড়ো**

সময়ৰ সোঁতত পৰিৱৰ্তিত পৰিৱেশ-পৰিস্থিতিৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিব পৰাকৈ উপযুক্ত মানৱ সম্পদ হিচাপে গঢ় দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে বিভিন্ন শিক্ষা আয়োগ গঠন কৰি শিক্ষানীতিৰ সংস্কাৰ সাধন কৰি আহিছে। সেই উদ্দেশ্য আগত ৰাখিয়েই তাহানি মুডালিয়াৰ আয়োগ, কোঠাৰী আয়োগ ইত্যাদি শিক্ষা আয়োগ গঠন কৰি শিক্ষানীতিৰ ব্যাপক সংস্কাৰ সাধন কৰি অহা হ'ল যদিও শিক্ষাৰ গুণগত মানৰ উত্তৰণৰ ক্ষেত্ৰত বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিব নোৱৰাৰ ফলত প্ৰকৃতাৰ্থত মানৱ সম্পদ উন্নয়ন কৰাৰ ক্ষেত্ৰত বিফল হোৱা পৰিলক্ষিত হৈছে। কিয়নো সম্প্ৰতি প্ৰচলিত শিক্ষা ব্যৱস্থাৰে তথাকথিত উচ্চ শিক্ষিত হৈ উচ্চ পদস্থ চৰকাৰী বিষয়া, ইঞ্জিনিয়াৰ, ডাক্তৰ, ৰাজনীতিক, সমাজসেৱক ইত্যাদি হোৱা বেছিভাগেই সমাজৰ প্ৰতি দায়বদ্ধ, দুৰ্নীতিমুক্ত, নিস্বাৰ্থ আৰু সদাচাৰী হোৱাৰ পৰিৱৰ্তে সমাজৰ প্ৰতি দায়বদ্ধহীন, দুৰ্নীতিপৰায়ণ, স্বাৰ্থপৰ আৰু ভ্ৰষ্টাচাৰী হোৱাহে দেখা গৈছে। ইয়াৰ কাৰণ হয়তো শিক্ষা ব্যৱস্থাত বিভিন্ন দিশত ব্যাপক সংস্কাৰ সাধনেৰে শিক্ষাৰ গুণগত মানৰ উত্তৰণ, শিক্ষাৰ্থীৰ দক্ষতা বৃদ্ধি, দায়বদ্ধতা সুনিশ্চিতকৰণ, মানৱীয় প্ৰমূল্যবোধৰ উৎকৰ্ষ সাধন ইত্যাদিৰ কাৰণে শিক্ষাদানৰ ব্যৱস্থা নথকাটো। সি যি কি নহওক ২০১৬ চনত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত দ্বিতীয়বাৰৰ বাবে গঠন কৰা এন ডি এ চৰকাৰে শিক্ষাৰ গুণগত মানৰ উত্তৰণ, ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বৃদ্ধি তথা দায়বদ্ধতা সুনিশ্চিত কৰাৰ কাৰণে প্ৰাথমিকৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে বিভিন্ন দিশত ব্যাপক সংস্কাৰ সাধনেৰে পৰিৱৰ্তন আনিব খোজাৰ পৰিপ্ৰেক্ষিতত মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ মন্ত্ৰীয়ে প্ৰস্তাৱিত নতুন শিক্ষানীতি, ২০১৯ৰ খচৰা প্ৰস্তুত কৰিবলৈ ড° কে কস্তুৰীৰংগনৰ অধ্যক্ষতাত এখন বিশেষ কমিটি গঠন কৰে। বিশেষ কমিটিখনে ৫৭টা পৰামৰ্শৰে আগবঢ়োৱা শিক্ষানীতিৰ খচৰা সন্দৰ্ভত মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰাৰ আগেয়ে জনগণৰ মতামত লৈ প্ৰথম কেবিনেটত দাখিল কৰাৰ পাছত প্ৰায় সকলো পৰামৰ্শ কেবিনেটে গ্ৰহণ কৰি ২০২০ চনৰ জুলাই মাহত নতুন শিক্ষানীতি, ২০২০ত অনুমোদন জনায়। সেই অনুসৰি প্ৰধানমন্ত্ৰীয়ে দেশৰ পঁইসত্তৰ বছৰীয়া জয়ন্তীৰ সৈতে সংগতি ৰাখি ২০২২ চনৰ পৰাই এই নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰা হ'ব বুলি ঘোষণা কৰে।

উল্লেখযোগ্য যে ইতিমধ্যে গ্ৰহণ কৰা নতুন শিক্ষানীতি ২০২০ত প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্যায়লৈকে আগৰ শিক্ষাৰ আৰ্হি ১০+২ৰ পৰিৱৰ্তে ৫+৩+৩+৪ কৰা হৈছে। সেইমতে মৌলিক স্তৰত থাকিবলগীয়া ৫ বছৰত তিনিবছৰীয়া প্ৰাক-প্ৰাথমিকৰ লগত থাকিব প্ৰথম আৰু দ্বিতীয় শ্ৰেণী। প্ৰিপেৰেটৰি স্তৰত তিনি বছৰীয়া পাঠ্যক্ৰমত থাকিব তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণী। তিনি বছৰীয়া উচ্চ প্ৰাথমিক স্তৰত থাকিব ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণী। চাৰি বছৰীয়া উচ্চ স্তৰ বা মাধ্যমিক স্তৰত থাকিব নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী। তদুপৰি শিক্ষাৰ অধিকাৰ আইন, ২০০৯ মতে অষ্টম শ্ৰেণীলৈকে অৰ্থাৎ ছবছৰৰ পৰা ১৪ বছৰ বয়সলৈকে শিক্ষাৰ্থীক প্ৰাথমিক শিক্ষা বাধ্যতামূলকভাৱে আৰু বিনামূলীয়াকৈ দিয়াৰ দৰে নতুন শিক্ষানীতিত মাধ্যমিক পৰ্যায়ৰ দ্বাদশ শ্ৰেণীলৈকে অৰ্থাৎ ১৪ বছৰৰ পৰা ১৮ বছৰ বয়সলৈকে শিক্ষাৰ্থীক বাধ্যতামূলকভাৱে (বাধ্যতামূলক যেতিয়া বিনামূলীয়াও হয়তো হ'ব শিক্ষা) দিয়া হ'ব বুলি উল্লেখ কৰা আছে। তদুপৰি এখন মাধ্যমিক বিদ্যালয়ক কেন্দ্ৰ কৰি তাত ওচৰৰ সকলো চৰকাৰী খণ্ডৰ প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয় আৰু অন্যান্য শিক্ষাকেন্দ্ৰ সংযুক্ত কৰি এখন 'স্কুল কমপ্লেক্স'লৈ পৰিৱৰ্তন কৰা হ'ব বুলি কোৱা হৈছে। ইয়াৰ পাছত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ দৰে স্কুল কমপ্লেক্সৰ মাধ্যমিক শাখাত থকা নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ষাণ্মাসিক ব্যৱস্থাৰে শিক্ষাদান দিয়া হ'ব বুলিও কোৱা হৈছে। এই স্কুল কমপ্লেক্সৰ ধাৰণাটোনো কি সেই বিষয়ে তলত দাঙি ধৰা হৈছে।

১৯৬৪-৬৬ চনত ডি এছ কোঠাৰীৰ অধ্যক্ষতাত গঠন হোৱা কোঠাৰী আয়োগৰ পৰামৰ্শাৱলী আৰু অনুমোদনাৱলীৰ ভিত্তিত ১৯৮৬ চনত গ্ৰহণ কৰা আৰু ১৯৯২ চনত সংশোধন কৰা ৰাষ্ট্ৰীয় শিক্ষানীতিৰ জৰিয়তে আমাৰ দেশত শিক্ষা ব্যৱস্থা চলি থকাৰ সময়তে এই স্কুল কমপ্লেক্সৰ ধাৰণাটো অনা হৈছিল। তেতিয়া স্কুল কমপ্লেক্সৰ পৰিৱৰ্তে 'ক্লাষ্টাৰ অব স্কুলছ' (Cluster of Schools) নামকৰণেৰে আঁচনি এখন ৰূপায়ণেৰে একে চৌহদতে এখন মাধ্যমিক বিদ্যালয়ক কেন্দ্ৰ কৰি চৰকাৰী খণ্ডৰ প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয় থকাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কোৱা হৈছিল যদিও কিবা অজ্ঞাত কাৰণত তেনেকুৱা কৰা নহ'ল। এই 'ক্লাষ্টাৰ অব স্কুলছ'ৰ ধাৰণাটো এইকাৰণে অনা হৈছিল যাতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ (কনিষ্ঠ মহাবিদ্যালয় ব্যতিৰেকে) দৰে একে চৌহদতে একে বিদ্যালয় কৰ্তৃপক্ষৰ অধীনত প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি মাধ্যমিক পৰ্যায়লৈকে একে কৰ্তৃপক্ষৰ পৰ্যৱেক্ষণ আৰু নিয়ন্ত্ৰণত প্ৰাক-প্ৰাথমিক নাইবা প্ৰাথমিক পৰ্যায়তে আন্তঃগাঁথনিৰ উন্নয়ন ঘটাই ভেটি সুদৃঢ় কৰি উচ্চ পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক, নৈতিক চৰিত্ৰ, আচৰণ ইত্যাদিৰ লগতে বৌদ্ধিক উত্তৰণো ঘটাব পৰা যায়।

ইতিমধ্যে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০তো স্কুল কমপ্লেক্সৰ ধাৰণাটো আনি এখন মাধ্যমিক বিদ্যালয়ক কেন্দ্ৰ কৰি এটা স্কুল কমপ্লেক্স গঢ়ি তাত ওচৰৰ সকলো চৰকাৰী প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ, বৃত্তিমূলক শিক্ষাকেন্দ্ৰ আৰু প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰ সংযুক্ত হৈ থাকিব বুলি কোৱা হৈছে। শিক্ষকসকল অতি কমেও পাঁচৰ পৰা সাত বছৰ পৰ্যন্ত স্কুল কমপ্লেক্সত থাকিবলগীয়া হোৱাৰ উপৰি বছৰত পঞ্চাছ ঘণ্টাৰ প্ৰশিক্ষণ লোৱাটো বাধ্যতামূলক হ'ব। স্কুল কমপ্লেক্সৰ ভিতৰত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আৰু পৰিকাঠামোৰ ভাগ বাটোৱাৰা আৰু বিতৰণৰ জৰিয়তে এইবোৰৰ অভাৱ পূৰণ তথা উৎকৃষ্ট ব্যৱহাৰ নিশ্চিত কৰা হ'ব। এনে ব্যৱস্থা গ্ৰহণ কৰাৰ উদ্দেশ্য হ'ব—দেশত বহু সৰু স্কুল বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত সেইবোৰত প্ৰয়োজন হোৱা প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আৰু উপযুক্ত পৰিকাঠামোৰ যোগান তথা পৰিচালনাত সন্মুখীন হোৱা জটিলতাৰ পৰা ৰেহাই পোৱা।

আমাৰ ৰাজ্যখনত চৰকাৰী খণ্ডৰ বহু বিদ্যালয় বিশেষকৈ প্ৰাথমিক বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ অভাৱত এখন এখনকৈ বন্ধ হ'বলৈ ধৰাৰ বিষয়ে শিক্ষা সচেতন মহল জ্ঞাত। সেইসকলৰ একাংশই ইয়াৰ কাৰণ কাঠফুলা গজাৰ দৰে য'তে-ত'তে গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিকৰণত আধিপত্য বিস্তাৰ আৰু একাংশৰ মতে এনে বিদ্যালয়ত শিক্ষকতা কৰা এচাম শিক্ষকৰ শিক্ষাদানৰ প্ৰতি নিষ্ঠা আৰু একাগ্ৰতাৰ অভাৱ আৰু চৰকাৰৰ তেনে শিক্ষানুষ্ঠানৰ প্ৰতি হোৱা উদাসীনতা। এনে শ্মশানমুখী বিদ্যালয়বোৰক চৰকাৰে যোৱা প্ৰায় পাঁচ বছৰ আগৰে পৰাই বিদ্যালয় একত্ৰীকৰণ আঁচনি গ্ৰহণেৰে শিক্ষকসহ ওচৰৰ কোনো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সৈতে ইতিমধ্যে একত্ৰীকৰণ কৰাৰ